# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 26-09-2024
**Time :** 0755 Hrs

***Assamese Morning Bulletin***
**-----------------------**

অসম চুক্তিৰ ৬ নম্বৰ দফা সন্দৰ্ভত অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মা সমিতিয়ে দিয়া পৰামৰ্শৱলী ৰাজ্য চৰকাৰে ইতিমধ্যে গ্ৰহণ কৰাৰ সিদ্ধান্ত লৈছে আৰু সমিতিৰ প্ৰতিবেদনখনৰ ভিত্তিত ৰাজ্য চৰকাৰৰ অধীনত থকা ৪০টা পৰামৰ্শ ৰূপায়ণৰ বাবে ৰূপৰেখা প্ৰস্তুত কৰা হৈছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কালি ৰাজ্য চৰকাৰৰ কেইবাগৰাকী মন্ত্ৰীৰ সৈতে সদৌ অসম ছাত্ৰ সন্থাৰ এটা প্ৰতিনিধি দলৰ সৈতে হোৱা আলোচনাত এই মন্তব্য কৰে। লগতে প্ৰতিবেদনখনৰ আন ১২টা পৰামৰ্শ ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ যৌথ প্ৰচেষ্টাৰে ৰূপায়ণ কৰা হ'ব তথা বাকী থকা ১৫টা সম্পূৰ্ণভাৱে কেন্দ্ৰীয় চৰকাৰৰ অধীনত থাকিব বুলি তেঁও উল্লেখ কৰে। বৈঠকখনত মন্ত্ৰী ডাঃ ৰণোজ পেগু, অজন্তা নেওগ, কেশৱ মহন্ত, অতুল বৰা, বিমল বৰা, পীযূষ হাজৰিকাৰ লগতে মুখ্য সচিব, সদৌ অসম ছাত্ৰ সন্থাৰ উপদেষ্টা ডঃ সমুজ্জল কুমাৰ ভট্টাচাৰ্যৰ নেতৃত্বত ৩ জনীয়া প্ৰতিনিধি দল তথা সংশ্লিষ্ট বিষয়াসকল উপস্থিত থাকে।

০০০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কালি দিছপুৰৰ লোকসেৱা ভৱনত বৃহত্তৰ হায়দৰাবাদ পৌৰ নিগমৰ এটা প্ৰতিনিধি দলৰ সৈতে মত বিনিময় কৰে। বহনক্ষম নগৰীয়া জীৱন-যাপন সন্দৰ্ভত অসম চৰকাৰৰ প্ৰচেষ্টাক অধ্যয়ন কৰিবলৈ প্ৰতিনিধি দলটো গুৱাহাটীলৈ অহাটো সুখৰ বতৰা বুলি তেওঁ সামাজিক মাধ্যমযোগে উল্লেখ কৰে।

০০০০০০

অসম নাট্য সন্মিলনৰ ৬৬ সংখ্যক প্ৰতিষ্ঠা দিৱস কাইলৈ গুৱাহাটীৰ ৰূপনগৰত থকা স্বতন্ত্ৰ সেনানী ভৱনত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব। অসম নাট্য সন্মিলনৰ বৃহত্তৰ গুৱাহাটী জ্যেষ্ঠ নাগৰিক শিল্পী মঞ্চৰ উদ্যোগত আৰু অসম ৰাজ্যিক মুক্তি যুঁজাৰু সন্মিলনৰ সহযোগত উদযাপন কৰিবলগীয়া প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচী অসম নাট্য সন্মিলনৰ সভাপতি কুমাৰ দীপক দাসৰ পতাকা উত্তোলনেৰে আৰম্ভ হ'ব। কাইলৈৰ অনুষ্ঠানত নাটকৰ্মীৰ দৃষ্টিৰে চৌখিন নাট্যদলৰ সমকালীন মঞ্চ কথা বিষয়ক বক্তৃতা দিব বিশিষ্ট নাট্যকাৰ তথা পৰিচালক ডঃ শ্যামাপ্ৰসাদ শৰ্মাই।

০০০০০০

হাউলীৰ ৰাস মহোৎসৱ এইবাৰ অহা ১৫ নৱেম্বৰৰ পৰা অনুষ্ঠিত হ'ব। কালি নিশা এখন সংবাদমেলত হাউলী ৰাস মহোৎসৱৰ উদযাপন সমিতিৰ সভাপতি হেমেন কুমাৰ দাসে কয় যে, এইবাৰ ৯৭ সংখ্যক বৰ্ষৰ বাবে অনুষ্ঠিত হ'বলগীয়া ৰাস মহোৎসৱ ১৫ দিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব। কাৰ্যসূচীসমূহ সূচাৰুৰূপে চলাই নিয়াৰ বাবে ইতিমধ্যে ২৪ খন উপ সমিতি গঠন কৰা হৈছে। সেই অনুসৰি মহোৎসৱৰ দিন কেইটাত বিজ্ঞান মেলা অনুষ্ঠিত কৰাৰ লগতে বৰপেটাৰ থলুৱা আতছ বাজী প্ৰদৰ্শন, স্বচ্ছতাৰ প্ৰতি সজাগতা আদি কাৰ্যসূচীও অনুষ্ঠিত হ'ব। সংবাদ মেলখনত উদযাপন সমিতিৰ সাধাৰণ সম্পাদক নিপা কলিতাকে ধৰি অন্যান্য বিষয়ববীয়াসকল উপস্থিত থাকে।

০০০০০০

ডেংগুৰ প্ৰাদুৰ্ভাৱ ৰোধ কৰিবলৈ ৰাজ্যৰ বিভিন্ন স্থানত সজাগতামূলক কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। সেই অনুসৰি কৰিমগঞ্জ জিলাতো কালিৰে পৰা দুসপ্তাহ জোৰা বিভিন্ন কাৰ্যসূচী লোৱা হৈছে। কালি জিলাখনৰ স্বাস্থ্য যুটীয়া সমন্বয়কৰ উপস্থিতিত সজাগতা সমদল উলিওৱা হয়। এই সমদলত কৰিমগঞ্জ জিলাৰ সকলো মেলেৰীয়া পৰিদৰ্শক তথা স্বাস্থ্য বিভাগৰ অন্যান্য বিষয়ববীয়াকে ধৰি আশাকৰ্মীসকলে অংশগ্ৰহণ কৰে। স্বাস্থ্য যুটীয়া সমন্বয়কগৰাকীয়ে জানিবলৈ দিয়া মতে এই পদক্ষেপৰ লক্ষ্য হৈছে জনসাধাৰণক প্ৰতিৰোধমূলক ব্যৱস্থাৰ বিষয়ে জ্ঞান দিয়া আৰু মহৰ প্ৰজনন স্থান নিৰ্মূল কৰাত জনসাধাৰণৰ অংশগ্ৰহণ নিশ্চিত কৰা।

০০০০০০

ৰাজ্যখনৰ অসামৰিক সেৱাৰ পৰীক্ষাত অৱতীৰ্ণ হ'ব বিচৰা ইচ্ছুক যুৱক-যুৱতীসকলক জলপানি প্ৰদানৰ বাবে অসমৰ ৰাজভৱনৰ তৰফৰ পৰা ৰাজ্যপালৰ **অসমৰ প্ৰতিভা উদগণিমূলক আঁচনি ২০২৪-২৫ৰ** অধীনত আবেদন প্ৰ-পত্ৰ আহ্বান কৰা হৈছে। ইয়াৰ দ্বাৰা যোগ্য প্ৰাৰ্থীসকলক বিত্তীয় সাহায্য আৰু গুণগত প্ৰশিক্ষণ প্ৰদান কৰি তেওঁলোকক অসামৰিক বিষয়া হোৱাৰ বাবে যোগ্য কৰি তোলা হ'ব। প্ৰাৰ্থীসকলক gappy.assam.gov.in -ৰ জৰিয়তে ২৭ ছেপ্তেম্বৰ অৰ্থাৎ কাইলৈ বিয়লি ৫ বজাৰ পৰা অহা ৬ অক্টোবৰৰ বিয়লি ৫ বজাৰ ভিতৰত সম্পূৰ্ণ আবেদন পত্ৰ অনলাইনযোগে দাখিল কৰিবলৈ আহ্বান জনোৱা হৈছে।

প্ৰাৰ্থীসকলক সদৌ অসম প্ৰতিভা সন্ধানী পৰীক্ষা আৰু তাৰ পাছত গ্ৰুপ কাউন্সেলিং তথা ব্যক্তিগত সাক্ষাৎকাৰৰ জৰিয়তে বাছনি কৰা হ'ব। ২০ অক্টোবৰত লিখিত পৰীক্ষা, ২৭ অক্টোবৰ লিখিত পৰীক্ষাৰ ফলাফল ঘোষণা আৰু পৰ্যায়ক্ৰমে গ্ৰুপ কাউন্সেলিং তথা সাক্ষাৎকাৰৰ অন্তত ১৮ নৱেম্বৰত চূড়ান্ত ফলাফলৰ ঘোষণা কৰা হ'ব। অধিক তথ্যৰ বাবে প্ৰাৰ্থীসকলে pratibhaprotsahanyojana@gmail.com লৈ মেইল কৰিব পাৰিব।

০০০০০০

সমাপ্ত